# 2026
# ASSAMESE

Course Name : অসমীয়া গদ্য ঃ ১৮৪৬-২০১৫

Course Code : ASM-PGA-2026

Full Marks : 80

Time : 3 Hours

১। তলৰ যিকোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×৫=৬০

ক) আনন্দৰাম ঢেকিয়াল ফুকনৰ পৰিচয় দাঙি ধৰি 'অসম দেশৰ সংক্ষেপ কথা' শীৰ্যক পাঠটিৰ আধাৰত তেখেতৰ গদ্যৰীতি সম্পৰ্কে আলোচনা কৰা।

খ) নিধিলিবাই ফাৰৱেলৰ প্ৰকৃত পৰিচয় কি? তেখেতৰ দ্বাৰা ৰচিত 'তিনিজন ভাইৰ মিস্যনেৰি যাত্ৰা' প্ৰবন্ধৰ আধাৰত তেখেতৰ গদ্যৰীতিৰ এটি বিশ্লেষণ আগবঢ়োৱা।

গ) "ভাযাৰ বিষয়ানুসৰি ঠাঁচ এটা দিব পৰাজনেই ষ্টাইলিষ্ট বুলি বিবেচিত হোৱাৰ যোগ্য ; লক্ষ্মীনাথৰ সেই যোগ্যতা অবিসম্বাদী।" এই উক্তিৰ যথাৰ্থতা প্ৰমাণ কৰা।

ঘ) কালিৰাম মেধিৰ গদ্যত যুক্তি নিষ্ঠতাৰ প্ৰকাশ কেনেদৰে ফুটি উঠিছে তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত 'শংকৰদেৱ আৰু চৈতন্যদেৱ' পাঠটিৰ আধাৰত আলোচনা কৰা।

ঙ) "বাণীকান্ত কাকতিৰ সাহিত্য-আলোচনামূলক প্ৰবন্ধৰাজিত যুক্তি নিষ্ঠতাৰ লগতে সাহিত্যিক মনোহাৰিত্বৰ এক বৈশিষ্ট্যপূৰ্ণ প্ৰকাশ ঘটিছে।" - তোমাৰ পাঠ্যৰ আধাৰত উক্ত মন্তব্যটিৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰি এটি আলোচনা আগবঢ়োৱা।

চ) কি কি বৈশিষ্ট্যই কৃষ্ণকান্ত সন্দিকৈৰ গদ্যক বিশেযত্ব প্ৰদান কৰিছে বিশ্লেযন কৰা।

ছ) অতুল চন্দ্ৰ বৰুৱাৰ 'সমাজ, কৃষি আৰু গাঁৱৰ ইতিবৃত্ত' শীৰ্যক প্ৰবন্ধটিৰ গদ্যত ব্যাখ্যাধৰ্মিতা কেনেদৰে প্ৰকাশ পাইছে বিচাৰ কৰা।

*সিপিঠিত*

জ) হোমেন বৰগোহাঞিৰ ৰচনাৰ ভাষিক ওজস্বিতা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

২। চমুটোকা লিখা (যিকোনো চাৰিটা) ঃ ৫×৪=২০

ক) মিছনেৰীসকলৰ অসমীয়া গদ্যশৈলী

খ) অসমীয়া গদ্য সাহিত্যত বত্নেশ্বৰ মহন্তৰ স্থান

গ) সত্যনাথ বৰাৰ গদ্যৰ সুখ পাঠ্যতা

ঘ) লক্ষ্মীধৰ শৰ্মাৰ গদ্যৰ বৈশিষ্ট্য

ঙ) হীৰেন গোঁহাইৰ গদ্যত যুক্তিৰ অৱলোকন

চ) অসমীয়া গদ্যৰ আৰম্ভণি

xxxxx